# REGIONAL NEWS UNIT
AKASHVANI :: GUWAHATI
0000000000

**Date : 13-05-2025**
**Time :** 21-25 Hrs

***Assamese Night Bulletin***
**::::::::::::::::::::::::::::::::**

ভাৰতে নতুন দিল্লীস্থিত পাকিস্তান উচ্চায়োগত কৰ্মৰত এগৰাকী পাকিস্তানী কৰ্মচাৰীক আনুষ্ঠানিক মৰ্যদা অনুসৰি কাম নকৰাৰ বাবে অবাঞ্চিত ব্যক্তি হিচাপে ঘোষণা কৰিছে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে এটা বিবৃতিযোগে কৈছে যে, কৰ্মচাৰীজনক ২৪ ঘণ্টাৰ ভিতৰত ভাৰত এৰি যাবলৈ কোৱা হৈছে। পাকিস্তান উচ্চায়োগৰ মুৰববীক এই বিষয়ে আপত্তিপত্ৰ জাৰি কৰা হৈছে বুলি মন্ত্ৰালয়ে প্ৰকাশ কৰিছে।

০০০০

জম্মু-কাশ্মীৰৰ পেহেলগামৰ সন্ত্ৰাসবাদী আক্ৰমণক লৈ দেশবিৰোধী মন্তব্য কৰাৰ অভিযোগত অসম আৰক্ষীয়ে এই পৰ্যন্ত ৫৬ জন লোকক গ্ৰেপ্তাৰ কৰিছে। কালি কাৰ্বি আংলং আৰক্ষীয়ে আজিমুদ্দিন আৰু ৰাকিব হুছেইন নামৰ লোক দুজনক গ্ৰেপ্তাৰ কৰে। ধুবুৰী আৰক্ষীয়ে হাছিনুৰ ৰহমান আৰু লালচান্দ আলী, লক্ষীমপুৰ আৰক্ষীয়ে আব্দুল আছিক আৰু ছমিৰ আলী নামৰ লোককেইজনক গ্ৰেপ্তাৰ কৰে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যম যোগে এই বিষয়ে প্ৰকাশ কৰি অসম আৰক্ষীয়ে এই অভিযান পৰৱৰ্তী সময়তো অব্যাহত ৰাখিব বুলি উল্লেখ কৰে। তেওঁ লগতে জনসাধাৰণক এনে দেশ বিৰোধী মন্তব্য দৃষ্টি গোচৰ হোৱাৰ মাত্ৰেই প্ৰশাসনক অৱগত কৰিবলৈ আহ্বান জনায়। উল্লেখযোগ্য যে দেশবিৰোধী মন্তব্য কৰাৰ অভিযোগত কাছাৰৰ পৰা সৰ্বাধিক ছজন লোকক গ্ৰেপ্তাৰ কৰা হৈছে। দেশবিৰোধী মন্তব্য কৰা লোকৰ বিৰুদ্ধে কোনো ধৰণৰ সহানুভূতি প্ৰদৰ্শন কৰা নহ'ব মুখ্যমন্ত্ৰী ড° শৰ্মাই উল্লেখ কৰে।

০০০০

কেন্দ্ৰীয় মাধ্যমিক শিক্ষা পৰিষদ চিবিএছইৰ অধীনত দশম শ্ৰেণীৰ ফলাফল ঘোষণা কৰাৰ পাছত অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে উচ্চতৰ মাধ্যমিক প্ৰথণ বৰ্যৰ নামভৰ্তিৰ বাবে কাইলৈৰ পৰা দৰ্পন অনলাইন নামভৰ্তি পোৰ্টেল মুকলি কৰাৰ কথা ঘোষণা কৰিছে। সেই অনুসৰি ছাত্ৰ-ছাত্ৰীসকলে কাইলৈৰ পৰা ২০ মে' পৰ্যন্ত উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্যত নামভৰ্তিৰ বাবে আবেদন কৰিব পাৰিব। সংশ্লিষ্ট শিক্ষানুষ্ঠানসমূহে ২৩ মে'ৰ ভিতৰত নামভৰ্তিৰ প্ৰক্ৰিয়া সম্পূৰ্ণ কৰিব লাগিব। নামভৰ্তি সম্পৰ্কীয় তথ্যৰ বাবে ছাত্ৰ-ছাত্ৰীসকলে বিভাগীয় ৱেৱছাইট www.ahsec.assam.gov.in বা darpan.ahsec online.in ত চাব পাৰিব। পৰিষদে লগতে কোনো পৰিস্থিতিতে নামভৰ্তিৰ বাবে অফলাইন আবেদন গ্ৰাহ্য কৰা নহব বুলি স্পষ্ট কৰি দিছে।

০০০০

গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই আজি বিয়লি গুৱাহাটী পৌৰ নিগমৰ মেয়ৰৰ উজানবজাৰস্থিত কাৰ্যালয়ত পৌৰ নিগম কৰ্তৃপক্ষৰ সৈতে বৈঠকত মিলিত হয়। বৈঠকত গৃহ নিৰ্মাণৰ অনলাইন অনুমোদন প্ৰক্ৰিয়াৰ সৰলীকৰণ আৰু ইয়াৰ সৈতে জড়িত সমস্যাসমূহৰ সমাধানক লৈ আলোচনা কৰা হয়। অধিক

কাৰ্যক্ষম-ব্যৱহাৰ উপযোগী ছিংগল উইণ্ডো ব্যৱস্থা গঢ়ি তুলি গৃহ নিৰ্মাণৰ প্ৰক্ৰিয়া সৰল আৰু দ্ৰুত কৰি তোলাৰ বিষয়ত বৈঠকত গুৰুত্ব আৰোপ কৰা হয়।

০০০০

অসম চৰকাৰৰ মাধ্যমিক শিক্ষা সঞ্চালকালয়ে ৰাজ্যৰ ২৩ খন চাহ বাগিচাৰ আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়ক উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উন্নীত কৰিছে। উল্লেখযোগ্য যে পূৰ্বতে চাহ বাগিচা অঞ্চলসমূহত দশম শ্ৰেণী পৰ্যন্তহে অধ্যয়নৰ ব্যৱস্থা আছিল যদিও ৰাজ্য চৰকাৰে চাহ বাগিচা অঞ্চলৰ ছাত্ৰ-ছাত্ৰীৰ সুবিধাৰ্থে এই হাইস্কুলসমূহক উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উন্নীত কৰে। চলিত শিক্ষাবৰ্ষৰ পৰাই ছাত্ৰ-ছাত্ৰীসকলে বিদ্যালয়সমূহৰ কলা শাখাত নামভৰ্তি কৰিব পাৰিব বুলি শিক্ষা বিভাগৰ সূত্ৰই প্ৰকাশ কৰিছে।

০০০০

আকাশবাণীৰ বাতৰি সেৱা বিভাগে যোৱা ৯ মে'ৰ পৰা বাতৰি বুলেটিনৰ সংশোধিত সময়সূচী কাইলৈৰ পুৱাৰ পৰা পুনৰ স্বাভাৱিক কৰা হ'ব। পাকিস্তান আৰু পাকিস্তান অধিকৃত জম্মু-কাশ্মীৰত সন্ত্ৰাসবাদীৰ বিৰুদ্ধে ভাৰতে চলোৱা **অপাৰেচন সিন্দূৰ** আৰু ইয়াৰ পৰৱৰ্তী দিনকেইটাত উদ্ভৱ হোৱা পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত আকাশবাণীয়ে ইয়াৰ প্ৰতিঘণ্টাই প্ৰচাৰিত হিন্দী আৰু ইংৰাজী বাতৰিৰ সময়সূচী ৫ মিনিটৰ পৰা ১০ মিনিটলৈ বৃদ্ধি কৰিছিল। সেই অনুসৰি আকাশবাণী গুৱাহাটীৰ পৰা প্ৰচাৰিত আঞ্চলিক বাতৰিৰ সময়সূচীৰো সালসলনি ঘটোৱা হৈছিল। কাইলৈৰ পৰা পুৱাৰ আঞ্চলিক বাতৰি পূৰ্বৰ সময় ৯ বজাত আৰু নিশাৰ আঞ্চলিক বাতৰি নিৰ্ধাৰিত সময় ৯ বাজি ২৫ মিনিটতেই প্ৰচাৰিত হ'ব। দিনৰ ১১ বজা, বিয়লি ৩ বজা আৰু নিশা ৮ বজাৰ মুখ্য বাতৰিও সেইদিনাৰ পৰা নিয়মীয়া সময় অনুসৰি প্ৰচাৰিত হ'ব।

০০০০

অসমে আজি বিহাৰত অনুষ্ঠিত সপ্তম খেলো ইণ্ডিয়া যুৱ ক্ৰীড়া মহোৎসৱত দুটা সোণৰ পদক আৰু ৩ টা ব্ৰঞ্জৰ পদক অৰ্জন কৰে। অসমৰ স্পৃহা হুশী কাশ্যপে আজি যোগাসনত আৰ্টিষ্টিক শিতানৰ একক শাখাত সোণৰ পদক অৰ্জন কৰে। একেদৰে অভিজ্ঞান কাশ্যপে কালাৰিপায়াট্টুত ৰাজ্যৰ হৈ দ্বিতীয়টো সোণৰ পদক লাভ কৰে। কালাৰিপায়াট্টুত বিশাল চক্ৰৱৰ্তী আৰু ৰাজ সিঙ আৰু ধ্ৰুৱদীপ সিনহা আৰু জাকায়া ইছলামৰ যুটী দুটাই ব্ৰঞ্জৰ পদক হস্তগত কৰে। ভাৰোত্তলনতো অসমে আজি এটা ব্ৰঞ্জৰ পদক লাভ কৰে। চানক্য বৰাই লৰাৰ ১০২ কিলোগ্ৰাম ওজন শাখাৰ স্নেছত ১১২ কিলোগ্ৰাম আৰু ক্লীন এণ্ড জাৰ্ক শিতানত ১৪৪ কিলোগ্ৰাম ভাৰোত্তলন কৰি ৰাজ্যৰ হৈ সপ্তমটো পদক অৰ্জন কৰে। অসমে বৰ্তমানলৈকে প্ৰতিযোগিতাত ৮ টা সোণ, ৩ টা ৰূপ আৰু ৮ টা ব্ৰঞ্জসহ মুঠ ১৯ টা পদক লাভ কৰিছে আৰু বক্সিঙত এটা পদক নিশ্চিত কৰিছে।

০০০০

হাইলাকাণ্ডিত কাইলৈ নুৰুদ্দিন আহমেদ ছিনিয়ৰ আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতাৰ গ্ৰুপ বিৰ মূল পৰ্যায়ৰ খেলসমূহ আৰম্ভ হ'ব। হাইলাকাণ্ডিৰ দি এছ এ ময়দানত হ'বলগীয়া প্ৰথমখন খেলত শ্ৰীভূমি জিলা দল তেজপুৰৰ মুখামুখি হ'ব। গ্ৰুপৰ বাকী দলকেইটাৰ ভিতৰত বৰাক উপত্যকা আৰু বঙাইগাওঁ জিলা আছে।

০০০০

সমাপ্ত